**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

oooooo

১। ৰেচন কাৰ্ড থকা পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীয়ে আয়ৰ প্ৰমাণ-পত্ৰ অবিহনে মহাবিদ্যালয়ত বিনামূলীয়াকৈ নামভৰ্তি কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। ৰাজ্যৰ বিভিন্ন স্থানত শাসক-বিৰোধীৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অব্যাহত। আজি শিৱসাগৰ আৰু লখিমপুৰত মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী প্ৰচাৰ।

৩। ২৫ এপ্ৰিলত বৰেণ্য নৃত্যশিল্পী ড০ সোণাল মান সিঙক গুৱাহাটীত ৰাষ্ট্ৰপতিৰ শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান।

৪। পৰিৱেশ সন্দৰ্ভত সজাগতা সৃষ্টিৰ লক্ষ্যৰে আজি বিশ্ব ধৰিত্ৰী দিৱস পালন। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে গুজৰাট টাইটানছৰ ৩৯ ৰানত জয়লাভ।

oooooo

ৰেচন কাৰ্ড থকা পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীয়ে এতিয়াৰে পৰা আয়ৰ প্ৰমাণ-পত্ৰ অবিহনে মহাবিদ্যালয়ত বিনামূলীয়াকৈ নামভৰ্তি কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই সন্দৰ্ভত অচিৰেই চৰকাৰী জাননী প্ৰেৰণ কৰিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুক আহ্বান জনাইছে। কালি ধেমাজি আৰু ডিগবৈত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ পঞ্চায়ত নিৰ্বাচন প্ৰচাৰ চলোৱাৰ সময়ত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই কথা ঘোষণা কৰিছে। তেওঁ কয়, যে ছাত্ৰ-ছাত্ৰীসকলে এতিয়াৰে পৰা মহাবিদ্যালয়ত নামভৰ্তিৰ বাবে গাঁওবুঢ়া, মৌজাদাৰ বা চক্ৰবিষয়াৰ পৰা আয়ৰ প্ৰমাণ-পত্ৰ নানিলেও হ'ব। ইয়াৰ পৰিৱৰ্তে ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ অধ্যক্ষক ৰেচন কাৰ্ডখন দেখুৱালেই বিনামূলীয়াকৈ নামভৰ্তিৰ ব্যৱস্থা কৰি দিয়া হ'ব বুলি তেওঁ কয়।

oooooo

ৰাজ্যত অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত আছে। বিভিন্ন ৰাজনৈতিক দলে ভোটাৰক আকৰ্ষণ কৰাৰ উদ্দেশ্যে ঠায়ে ঠায়ে নিৰ্বাচনী সভা আদিৰ আয়োজন কৰি আহিছে। শাসক দলৰ হৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱাল, অগপৰ সভাপতি অতুল বৰাকে ধৰি বিভিন্নজনে নিৰ্বাচনী প্ৰচাৰ চলাইছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ধেমাজি আৰু তিনিচুকীয়া জিলাত পঞ্চায়ত নিৰ্বাচনৰ বাবে মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত অংশ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি লখিমপুৰ আৰু শিৱসাগৰত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। নিৰ্বাচনী প্ৰচাৰৰ বাবে এখন বিশেষ হেলিকপ্টাৰৰ ব্যৱস্থা কৰা

হৈছে। ইপিনে বৰাকত দুদিন প্ৰচাৰ চলোৱাৰ পাছত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই আজি গোলাঘাটত দলীয় প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিব কাইলৈ শ্ৰীশইকীয়াই শোণিতপুৰ আৰু গহপুৰত নিৰ্বাচনী প্ৰচাৰ চলাব। একেদৰে কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে কাইলৈ শদিয়া, লখিমপুৰ আৰু জোনাইত প্ৰচাৰ চলাব।

প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কালি বিশ্বনাথ জিলাত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি দলৰ প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলায়।

কামৰূপ জিলাৰ বিভিন্ন স্থানতো শাসকীয় বিজেপি-অগপ আৰু ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিয়ে একেলগে নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছেও নিজ নিজ দলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাইছে। কমলপুৰ বিধানসভা সমষ্টিৰ বিজেপিৰ বিধায়ক দিগন্ত কলিতাই দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায় আছে। পলাশবাৰী বিধানসভা সমষ্টিৰ বিজেপিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াইও বিভিন্ন স্থানত নিজৰ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অব্যাহত ৰাখিছে। হাজো-শুৱালকুছি বিধানসভা সমষ্টিত তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থীসকলেও ঘৰে ঘৰে গৈ ভোটাৰক আকৰ্ষণৰ চেষ্টা চলাইছে। একেদৰে চমৰীয়া বিধানসভা সমষ্টি আৰু বকো-ছয়গাঁও সমষ্টিত কংগ্ৰেছ দলে কেইবাটাও নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছে। মানকাচৰতো কংগ্ৰেছ, ইউ আই ডি এফ, অগপ, বিজেপিয়ে দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই আছে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অহা ২৫ এপ্ৰিলত পদ্মভূষণ সন্মানেৰে সন্মানিত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বৰেণ্য নৃত্যশিল্পী ড° সোণাল মান সিঙক ২০২৩ বৰ্ষৰ সন্মানীয় শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কৰিব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰা হ'ব। যোৱা বছৰৰ ২১ আগষ্টত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকে ড° মানসিঙক এই বঁটা প্ৰদানৰ সিদ্ধান্ত লৈছিল। উল্লেখযোগ্য যে ১৯৮৬ চনত সাহিত্য, কলা, সংস্কৃতি, সাংবাদিকতা আদি ক্ষেত্ৰত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতি অৰ্জন কৰা ব্যক্তিক ৰাজ্য চৰকাৰে শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদানৰ শুভাৰম্ভ কৰিছিল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শৰাজিৰ সোঁৱৰণৰ দ্বাৰা দেশবাসীক উদ্বুদ্ধ কৰাৰ উদ্দেশ্যে এই বঁটা প্ৰৱৰ্তন কৰা হৈছিল। এই বঁটাত আছে – ৫ লাখ টকাৰ লগতে এখন প্ৰশস্তি পত্ৰ, এটা সোণৰ পদক, এখন শৰাই আৰু অংগবস্ত্ৰ। ইয়াৰ পূৰ্বে ড° ভূপেন হাজৰিকা, কীৰ্তিনাথ হাজৰিকা, সত্যজিৎ ৰায়, ড° মহেশ্বৰ নেওগ, কপিলা বাৎসায়ন, ড° সত্যেন্দ্ৰনাথ শৰ্মা, ৰামচন্দ্ৰ নাৰায়ণ দণ্ডেকাৰকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিক এই বঁটা প্ৰদান কৰা হৈছিল।

ইপিনে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰামৰ্শমৰ্মে ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাই কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ অহা ২৪ আৰু ২৫ এপ্ৰিলত গুৱাহাটী ভ্ৰমণ কাৰ্যসূচীৰ প্ৰস্তুতিৰ বাবে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। মুখ্যসচিবগৰাকীয়ে সংশ্লিষ্ট বিভাগসমূহৰ সৈতে ৰাষ্ট্ৰপতিগৰাকীৰ ভ্ৰমণৰ প্ৰস্তুতি পৰ্যালোচনা কৰে। এই ভ্ৰমণসূচী নিয়াৰিকৈ পৰিচালনাৰ বাবে ড° কোটাই সকলোকে নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এই ভ্ৰমণকালত ২৫ এপ্ৰিলত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠানতো অংশ ল'ব।

০০০০০০

ৰাজ্যখনৰ শিক্ষা খণ্ডত নতুনত্বৰ সঞ্চাৰ কৰা অসম চৰকাৰৰ শিক্ষা সেতু এপে প্ৰধানমন্ত্ৰীৰ ৰাজহুৱা প্ৰশাসন উৎকৰ্ষ বঁটা লাভ কৰিছে। সপ্তদশ অসামৰিক সেৱা দিৱস উপলক্ষে কালি নতুন দিল্লীৰ বিজ্ঞান ভৱনত

আয়োজিত এটা বিশেষ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বঁটা প্ৰদান কৰে। সমগ্ৰ শিক্ষাৰ মিছন সঞ্চালক ডং ওম প্ৰকাশে এই বঁটা গ্ৰহণ কৰে। ৰাজ্যৰ বিদ্যালয়সমূহৰ ব্যৱস্থাপনাৰ দিশত স্বচ্ছতা আৰু গতি অনাৰ লক্ষ্যৰে আৰম্ভ কৰা শিক্ষা সেতু এপে শিক্ষাৰ্থী আৰু শিক্ষকৰ উপস্থিতি সুশৃংখলিত কৰি তোলাৰ উপৰি ৰাজ্যৰ বিদ্যালয়সমূহত সমতা ৰক্ষা কৰিছে।

**এনাউন্স (শিক্ষা সেতু)**

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শিক্ষা সেতু এপৰ এই সফলতাত আনন্দ প্ৰকাশ কৰি সমগ্ৰ শিক্ষা অভিযানৰ দলটোলৈ অভিনন্দন জনাইছে। এই ৰাষ্ট্ৰীয় স্বীকৃতিয়ে অসমৰ শিক্ষা খণ্ডক উন্নয়নৰ দিশত আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত সকলোৰে সদিচ্ছাক অধিক দৃঢ় কৰি তুলিব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

এই অনুষ্ঠানতে কালি তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পাললৈ প্ৰশাসনীয় দিশত গ্ৰহণ কৰা উল্লেখনীয় ভূমিকাৰ বাবে প্ৰধানমন্ত্ৰীৰ উৎকৰ্ষতা বঁটা আগবঢ়োৱা হয়। **জিলাসমূহৰ সামগ্ৰিক উন্নয়ন** শাখাত দেশৰ ভিতৰতে তিনিচুকীয়া জিলা প্ৰশাসনে ৰাজহুৱা প্ৰশাসনৰ ক্ষেত্ৰত উৎকৰ্ষ বঁটা লাভ কৰে। উল্লেখযোগ্য যে তিনিচুকীয়া জিলাৰ আয়ুক্তগৰাকীয়ে বিগত বৰ্ষত প্ৰশাসনিক দিশত তেওঁৰ সেৱাৰ বাবে মুখ্যমন্ত্ৰীৰ কৰ্মশ্ৰী বঁটা লাভ কৰিছিল। জিলাখনত জাৰৰ নিষ্কাষণৰ ক্ষেত্ৰত লোৱা উদ্ভাৱনীমূলক পদক্ষেপৰ বাবে যোৱা মাৰ্চত দেশৰ এখন আগশাৰীৰ কাকতে সুপ্ৰশাসনৰ বাবে দেশৰ অন্যতম জিলা দণ্ডাধীশ হিচাপেও তেওঁক সন্মানিত কৰিছিল।

**এনাউন্স (স্বপ্নীল পাল)**

০০০০০০

আজি বিশ্ব ধৰিত্ৰী দিৱস। জলবায়ু পৰিৱৰ্তন, প্ৰদূষণ, বনাঞ্চল ধবংস আৰু জৈৱ বৈচিত্ৰৰ ক্ষতিৰ দৰে পৰিৱেশৰ সৈতে জড়িত সমস্যাসমূহৰ বিষয়ে সজাগতা বৃদ্ধি কৰিবলৈ প্ৰতি বছৰে ১৯৭০ চনৰ পৰা আজিৰ দিনটো বিশ্ব ধৰিত্ৰী দিৱস হিচাপে পালন কৰি অহা হৈছে। এই দিনটো বিশ্বত মানৱ জাতিৰ সামূহিক প্ৰভাৱৰ বিষয়ে চিন্তা-চৰ্চা কৰাৰ লগতে ইতিবাচক পৰিৱৰ্তন সাধনৰ বাবে চিন্তা-চৰ্চা কৰাৰ দিন। এইবেলি বিশ্ব ধৰিত্ৰী দিৱস উদযাপনৰ বিষয়বস্তু হ'ল- আমাৰ শক্তি, আমাৰ গ্ৰহ। বিশ্ব ধৰিত্ৰী দিৱস উদযাপনৰ ৫৫ বছৰ পূৰ্ণ হোৱাৰ দিনটো আজি বিশ্বৰ ১৯২ খন দেশ আৰু জনসাধাৰণে অংশ ল'ব বুলি আশা কৰা হৈছে। বিশ্ব ধৰিত্ৰী দিৱস উপলক্ষে মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বিনন্দীয়া পৃথিৱীৰ সুৰক্ষাৰ বাবে কাম কৰি যোৱাৰ সংকল্প গ্ৰহণ কৰিবলৈ ৰাজ্যৰ জনসাধাৰণক সামাজিক মাধ্যম এক্সৰ জৰিয়তে আহ্বান জনাইছে। নিজৰ বাৰ্তাত মন্ত্ৰীগৰাকীয়ে কৈছে, যে এগৰাকী সচেতন নাগৰিক হিচাপে এখন প্ৰদূষণমুক্ত, স্বচ্ছ আৰু সেউজীয়া বহনক্ষম ধৰা গঢ়িবলৈ প্ৰত্যেকেই দৃঢ় সংকল্পবদ্ধ হ'লেহে এই সুন্দৰ ধৰণীখন সকলোৰে বাবে বাসোপযোগী হৈ ৰ'ব।

০০০০০০

অৰুণাচল প্ৰদেশৰ নামচাইত কালিৰে পৰা অনুষ্ঠিত বুদ্ধ ধম্ম আৰু উত্তৰ-পূবৰ সংস্কৃতি শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় অভিৱৰ্তনৰ আজি সামৰণি পৰিব। আজি নামচাইৰ বিখ্যাত গ'ল্ডেন পেগোডাত বিশ্ব শান্তিৰ বাবে প্ৰাৰ্থনা অনুষ্ঠিত হ'ব। কালি ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী ছাওনা মেইনে এই অভিৱৰ্তন উদ্বোধন কৰে। কেন্দ্ৰীয় চৰকাৰৰ সংস্কৃতি মন্ত্ৰালয়ৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় বৌদ্ধ মহাসংঘই এই অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত গুৱাহাটীস্থিত ভূটানৰ কনচ'ল জেনেৰেল জিগমে থিন্‌লে নামগিয়াল, আন্তঃৰাষ্ট্ৰীয় বৌদ্ধ মহাসংঘৰ সঞ্চালক অভিজিত হালদাৰৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। কালি প্ৰথম দিনাৰ কাৰ্যসূচীৰ অংশ হিচাপে উত্তৰ-পূবৰ কলা-সংস্কৃতি আৰু ইতিহাসৰ ওপৰত বৌদ্ধ ধৰ্মৰ প্ৰভাৱ সন্দৰ্ভত তিনিখন

আলোচনা সত্ৰ অনুষ্ঠিত হয়। এই অনুষ্ঠানত কম্বোদিয়া, ম্যানমাৰ, থাইলেণ্ড আৰু ভূটানৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ বৌদ্ধ ভিক্ষুসকলে অংশগ্ৰহণ কৰিছে।

০০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি অৰ্থনীতি বিভাগৰ গৱেষক ছাত্ৰ তথা নলবাৰীৰ বেলশৰৰ সন্তান মৃগাংক বৰ্মনক এছিয়াৰ অন্যতম কৃষি সন্মিলন আন্তঃৰাষ্ট্ৰীয় কৃষি সন্মিলনত ভাৰতৰ সমন্বয়ক হিচাপে স্বীকৃতি দিয়া হৈছে। এই সন্মিলনত বিশ্বৰ নানা দেশৰ আগশাৰীৰ কৃষি বিজ্ঞানী, গৱেষক, অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। চলিত বছৰৰ ছেপ্তেম্বৰত থাইলেণ্ডৰ বেংককত হ'বলগীয়া এই সন্মিলনত বিশ্বৰ কৃষি গৱেষণাৰ অগ্ৰগতি, খাদ্য সুৰক্ষাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে থাইলেণ্ডত অনুষ্ঠিত সন্মিলনত মৃগাংক বৰ্মনে নিজৰ গৱেষণা পত্ৰ উপস্থাপনেৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ কৃষি ব্যৱস্থাক আলোকপাত কৰিছিল।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে সদ্য প্ৰয়াত পোপ ফ্ৰান্সিছৰ সন্মানাৰ্থে দেশত তিনিদিনীয়াকৈ ৰাষ্ট্ৰীয় শোক পালন কৰাৰ কথা ঘোষণা কৰিছে। সেই অনুসৰি আজি আৰু কাইলৈ দুদিন তথা তেওঁৰ শেষকৃত্য সম্পন্ন কৰাৰ দিনটোত ৰাষ্ট্ৰীয় শোক পালন কৰা হ'ব। এই সময়ছোৱাত দেশত ৰাষ্ট্ৰীয় পতাকা অৰ্ধনমিত কৰি ৰখা হ'ব আৰু কোনোধৰণৰ চৰকাৰী বিনোদনধৰ্মী কাৰ্যসূচীৰ আয়োজন কৰা নহ'ব।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে কলকাতা নাইট ৰাইডাৰ্ছক ৩৯ ৰানত পৰাস্ত কৰি প্ৰতিযোগিতাৰ চলিত সংস্কৰণত নিজৰ ষষ্ঠ বিজয় সাব্যস্ত কৰে। ১৯৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি কলকাতা দলটোৱে নিৰ্ধাৰিত ২০ অভাৰ অজিংক্য ৰাহানেৰ অৰ্ধশতক সত্বেও ৫টা উইকেট হেৰুৱাই ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। গুজৰাটৰ হৈ প্ৰসিধ কৃষ্ণা আৰু ৰাছিদ খানে দুটাকৈ উইকেট দখল কৰাৰ বিপৰীতে মহম্মদ ছিৰাজ, ঈশান্ত শৰ্মা, ৱাছিংটন সুন্দৰ আৰু ৰবি শ্ৰীনিবাসন ছাই কিশোৰে এটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি গুজৰাট টাইটানছে নিৰ্ধাৰিত ২০ অভাৰত ৩টা উইকেট হেৰুৱাই ১৯৮ ৰান কৰে। দলৰ হৈ অধিনায়ক শুভমন গিলে ৯০ আৰু ছাই সুদৰ্শনে ৫২ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতাৰ বৈভৱ আৰোৰা, হৰ্ষিত ৰাণা আৰু আন্দ্ৰে ৰাছেলে এটাকৈ উইকেট লাভ কৰে।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ ভাৰতৰত্ন শ্ৰীঅটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ডেলহী কেপিটেলছৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক, সাহিত্যিক চিত্ৰ বৰুৱাৰ দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ কালি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৩ বছৰ। বেংগালুৰুৰ পৰা আহি থকা অৱস্থাতে গুৱাহাটীত মৃত্যু হোৱা শিক্ষকগৰাকীৰ মৃতদেহ নিশাই নাহৰকটীয়ালৈ লৈ যোৱাৰ ব্যৱস্থা কৰা হয়। কেইবাখনো গ্ৰন্থ ৰচনা কৰা বৰুৱাৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০

**আজি প্ৰকাশিত কাকত সমূহে ভিন ভিন বাতৰিক শিৰোনামৰ বাতৰিৰূপে স্থান দিছে।**

**অসমীয়া প্ৰতিদিন** কাকতে ৰাজ্যখনৰ দৈনিক চাহিদা দুহেজাৰ ৮০০ মেগাৱাট বিদ্যুতৰ ভিতৰত এ পি ডি চি এল য়ে ২৭০ ৰ পৰা ৩২০ মেগাৱাটহে উৎপাদন কৰাৰ পৰিপ্ৰেক্ষিতত বিদ্যুৎ নিয়ামক আয়োগে প্ৰতি ইউনিটত ৫ টকা ঊনআশী পইচা দৰত বহিৰ্ৰাজ্যৰ চাৰিটা ব্যক্তিগত কোম্পানীৰ পৰা বিদ্যুৎ ক্ৰয়ৰ অনুমোদন দিয়াৰ এটা বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে।

**দৈনিক অসম** কাকতে বহু প্ৰত্যাশিত **১২১** কিলোমিটাৰ দৈৰ্ঘৰ গুৱাহাটী ৰিং ৰোড প্ৰকল্প বিল্ড -অপাৰেট-ট্ৰেন্সফাৰ মডেলত নিৰ্মাণ কৰা আৰু সংশ্লিষ্ট নিৰ্মাণ কোম্পানীটোৱে ইয়াৰ বাবদ ৩০ বছৰলৈ টোল সংগ্ৰহ কৰিব বুলি এটা বাতৰিক 'ব্যক্তিগত খণ্ডক গতাব ৰিং ৰোড' শিৰোনামেৰে প্ৰকাশ কৰিছে।

**আমাৰ অসম** কাকতে মুখ্যমন্ত্ৰীয়ে পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত মহিলাক মোবাইল ফোন, নিবনুৱাক দুই লাখ টকাকৈ সাহাৰ্য আদি প্ৰতিশ্ৰুতি দিয়া কাৰ্যই নিৰ্বাচনী আচৰণ বিধি ভঙ্গ কৰা বুলি উল্লেখ কৰি প্ৰথম পৃষ্ঠাত এটা বাতৰি প্ৰকাশ কৰিছে।

ভাৰত ভ্ৰমণলৈ অহা মাৰ্কিন উপ ৰাষ্ট্ৰপতি জে ডি ভান্সৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বৈঠকৰ বাতৰিক কেইবাখনো কাকতে আলোকচিত্ৰ সহ প্ৰথম পৃষ্ঠাৰ বাতৰি কৰিছে।

অসম পৰ্বতাৰোহণ সন্থাই লাডাখৰ ছহেজাৰ ৩৬৫ মিটাৰ উচ্চতাৰ এটা অনামী শৃংগত সফলতাৰে আৰোহণ কৰাৰ লগতে শৃংগটোক বীৰ লাচিত বৰফুকন নাম দিয়া হৈছে। এই বাতৰি **দৈনিক জনমভূমি** কাকতৰ।

অক্টোবৰ-নৱেম্বৰত বিদ্যুত্ মাচুল পুনৰ এটকা হ্ৰাস আৰু ৰন্ধন গেছৰ চিলিণ্ডাৰ ২০০-৩০০ টকালৈ হ্ৰাস কৰাৰ চিন্তা-চৰ্চা কৰা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণাৰে **নিয়মীয়া বাৰ্তা** কাকতে বাতৰি প্ৰকাশ কৰিছে।

সত্ৰীয়া সংস্কৃতিৰ পীঠস্থান মাজুলী ক্ৰমাত্ খ্ৰীষ্টান নগৰীলৈ পৰ্যবসিত হ'বলৈ ধৰিছে। ধৰ্মান্তকৰণৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ লক্ষ্যৰে জিলাখনত জনজাতি ধৰ্ম সংস্কৃতি সুৰক্ষা মঞ্চই দুদিনীয়া কৰ্মশালাৰ আয়োজন কৰিব। এই বাতৰি **দৈনিক অগ্ৰদূত** কাকতৰ।

**দা ছেন্টিনেল** কাকতে ৰকফৰ অধীনৰ ৰাজ্যৰ শ শ বিঘা মাটি বেদখলকাৰীৰ কৱলত পৰা এটা বাতৰি প্ৰকাশ কৰিছে।

**দি আছাম ট্ৰিবিউন** কাকতে ইছৰ'ৱে স্পেডেক্স অভিযানৰ অংশ হিচাপে দ্বিতীয়টো উপগ্ৰহৰ ডকিং সফলতাৰে সম্পন্ন কৰা বুলি কেন্দ্ৰীয় মন্ত্ৰী জিতেন্দ্ৰ সিঙৰ ঘোষণাৰে বাতৰি প্ৰকাশ কৰিছে। নিউমনিয়া ৰোগত আক্ৰান্ত হোৱা খ্ৰীষ্টান ধৰ্মৰ মুৰব্বী পোপ ফ্ৰান্সিছচৰ কালি মৃত্যু হয়। এই বাতৰি অন্যান্য কাকতৰ লগতে **অসমীয়া খবৰ** কাকতেও প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

ৰাজ্যৰ বিভিন্ন স্থানত কালি বিয়লিৰ পৰা গাজনি-ঢেৰেকনিৰ সৈতে অহা বৰষুণৰ ফলত বিভিন্ন স্থান জলমগ্ন হৈ পৰিছে। বিশেষকৈ গুৱাহাটী মহানগৰীৰ বিভিন্ন স্থানত কালি সন্ধিয়াৰ পৰা হোৱা বৰষুণৰ ফলত বহু স্থান পানীত বুৰ যায়। নবীন নগৰ, অনিল নগৰ, ভাস্কৰ নগৰ, ৰুক্মিনীগাঁও আদি অঞ্চল আজি পুৱা পৰ্যন্ত কৃত্ৰিম বানত বুৰ গৈ থাকে।

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। বৰঝাৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগজাননী অনুসৰি অহা ২৬ এপ্ৰিললৈকে ৰাজ্যৰ ঠাই বিশেষে ধুমুহা-বৰষুণ হোৱাৰ সম্ভৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলিও বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত